অধ্যায় ৩ ঃ জন সম্পর্কৰ কার্যাৱলী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ জন সম্পর্কৰ মৌলিক কার্যাৱলী

৩.৪ উদ্দেশ্যধর্মী প্রচাৰ

৩.৫ প্রচাৰ

৩.৬ জন সম্পর্ক, প্রচাৰ আৰু উদ্দেশ্যধর্মী প্রচাৰৰ মাজৰ পার্থক্য

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জনসম্পর্কৰ সৈতে জড়িত কার্যাৱলী বুজি পাব
- সাংগঠনিক জনসম্পর্কৰ মৌলিক কাম-কাজবোৰ বর্ণনা কৰিব পাৰিব
- উদ্দেশ্যধর্মী প্রচাৰ আৰু সাধাৰণ প্রচাৰৰ বিষয়ে জানিব পাৰিব
- উদ্দেশ্যধর্মী প্রচাৰ আৰু সাধাৰণ প্রচাৰৰ মাজৰ পার্থক্য চিনাক্ত কৰিব পাৰিব

৩.২ পৰিচয়

এই অধ্যায়টিত জনসম্পর্কৰ মৌলিক কার্যাৱলীত প্রধানকৈ আলোকপাত কৰা হ'ব। অধ্যায়টি পঢ়ি আপোনালোকে উদ্দেশ্যধর্মী প্রচাৰ আৰু সাধাৰণ প্রচাৰৰ বিষয়েও ধাৰণা কৰিবলৈ শিকিব; তাৰ লগতে এই বিষয় দুটাৰ প্রকাৰ, সাদৃশ্য আৰু পার্থক্যৰ বিষয়েও অধ্যায়টি পঢ়ি শিকাৰ সুযোগ পাব।

৩.৩ জনসম্পর্কৰমৌলিক কার্যাৱলী

দ্রুত গতিৰে বৃদ্ধি পোৱা প্রতিযোগিতাৰ পৃথিৱীখনত সংস্থা, কোম্পানী আৰু অনুষ্ঠান-প্রতিষ্ঠানবোৰে সফলতাৰ দৌৰত আগবাঢ়ি থকাটো এক গুৰুত্বপূর্ণ বিষয়। ইয়াৰ বাবে প্রতিদ্বন্দ্বীসকলৰ তুলনাত আগতকৈ অধিক ভাল কাম কৰি যাব লাগিব। কেৱল কাম-কাজবোৰ

ভালকৈ কৰাটোৱেই যথেষ্ট নহয় । সংস্থা আৰু কোম্পানীবোৰে জন সম্পর্কৰ জৰিয়তে ৰাইজৰ সৈতে ভাল আৰু পাৰস্পৰিক হিতকাৰী সম্পর্ক বজাই ৰাখিব লাগিব। আশা কৰামতে ভাল ফলাফল পাবলৈ আৰু ফলপ্রসূ সংযোগ স্থাপন কৰিবলৈ জনসম্পর্ক হৈছে এটা আহিলা। জন সম্পর্কই প্রধানতঃ দুটা কার্য সম্পাদন কৰে (i) পৰিচালক মণ্ডলীৰ কার্য আৰু (ii) সংযোগী কার্য

পৰিচালক মণ্ডলীৰ কার্যঃ

সাধাৰণতে অনুষ্ঠান-প্রতিষ্ঠানবোৰত বিভিন্ন ধৰণৰ ব্যৱস্থাপন ক্ষেত্র থাকে। এই ক্ষেত্রবোৰে পৰিচালকসকলক আটাইতকৈ অধিক ফলপ্রসূভাৱে কাম-কাজ চলাই নিয়াত সহায় কৰে। এনে কিছুমান ক্ষেত্র হৈছে গৱেষণা আৰু বিকাশ, বিত্তীয় ব্যৱস্থা, আইনী ব্যৱস্থা, মানৱ-সম্পদ আৰু বিক্রী ব্যৱস্থা। এই প্রতিটো ক্ষেত্রই অনুষ্ঠানটোৰ সফল তাত ৰৱঙণি আগবঢ়ায়। জন সম্পর্ক কার্যাৱলীবোৰ অনন্য। এইবোৰে অনুষ্ঠানটোৰ বিকাশ সাধন কৰে আৰু ৰাইজ তথাঅংশীদাৰৰ মাজত সন্তোষজনক, দীর্ঘম্যাদী, বিশ্বাসজনক সম্পর্ক বজাই ৰখাত সহায় কৰে। যদিহে সঠিক কার্য কৌশল ব্যৱহাৰ কৰা হয়, তেন্তে জন সম্পর্ক বিভাগটো একোটা অনুষ্ঠানটোৰ বাবে মহা মূল্য ৱান হৈ পৰে। জনসম্পর্ক হৈছে- সংযোগৰ কৌশল। সেয়ে ইয়াক পৰিচালক মণ্ডলীৰ কার্য বুলিয়েই ধৰা হয়। জন সম্পর্কই পৰিচালক মণ্ডলী আৰু ৰাইজক এনে কিছুমান তথ্যৰ যোগান ধৰে, যাৰ সহায়ত উভয় পক্ষই পাৰস্পৰিক স্বার্থ ৰক্ষাৰ কাৰণে সিদ্ধান্ত ল'ব পাৰে। জন সম্পর্কই প্রয়োগ কৰা সংযোগী কলা-কৌশলবোৰ হ'ল- বাতৰি প্রচাৰ কৰা, বিষয়া-কর্মচাৰীৰ বাবে পত্র-বার্তা (News letters) প্রকাশ কৰা, সংবাদ মাধ্যমৰ ব্যৱস্থা কৰা, ৰেব্চাইট সমল যোগান ধৰা, বক্তৃতা প্রদান, ব্লগ পৰিচালনা, আৰু চছিয়েল মিডিয়া অথবা সামাজিক মাধ্যমৰ ব্যৱহাৰ ইত্যাদি। পেছাদাৰী জনসম্পর্কৰ ৰক্ষীসকলে বেছি ভাগ ক্ষেত্রতে অনুষ্ঠান একোটাৰ ভিতৰত কর্মৰত পৰিচালকসকলৰ সৈতে একেলগ হৈ সমস্যাবোৰ চিনাক্ত কৰি, তাৰ সমাধান কৰে। জন-সম্পর্কৰক্ষীসকলে জনসম্পর্কৰ ভূমিকাবোৰৰ জৰিয়তে অন্য পৰিচালকক অনুষ্ঠান সম্পর্কীয় সমস্যাবোৰ চিন্তা কৰাত সহায় কৰে।

সংযোগী কার্যঃ

জন সম্পর্ক হৈছে পৰিচালকৰ কার্য আৰু সংযোগী কার্যৰ এক মিশ্রিত ৰূপ। যিকোনো অনুষ্ঠান জীয়াই থাকিবলৈ ইয়াত শীর্ষ স্থানৰ পৰিচালক মণ্ডলীৰ পৰা কর্মচাৰী, অংশীদাৰ, ইউনিয়ন আৰু অনুষ্ঠানৰ দ্বাৰা উৎপাদিত সামগ্রী অথবা সেৱা লাভ কৰি থকা ৰাইজসকলোৰে মাজত, এক সফল সংযোগ গঢ়ি তোলাৰ প্রয়োজন আছে। জন সম্পর্কৰক্ষীসকল হৈছে সংযোগ বিশেষজ্ঞ। ৰাইজৰ মাজত ফলপ্রসূ সম্পর্ক স্থাপন কৰাৰ ক্ষেত্রত সংযোগ ব্যৱস্থাটোৱে এক গুৰুত্বপূর্ণ ভূমিকা লয়। দ্বি মুখী সংযোগ ব্যৱস্থাটো অতি প্রয়োজনীয় । বাতৰিবোৰ উপযুক্তভাবে প্রস্তুত কৰিসেয়া অনুষ্ঠান আৰু ৰাইজৰ মাজত প্রচাৰ কৰাত দ্বিমুখী সংযোগে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বাতৰি পঢ়োতাই বুজি পাব লাগিব যে বাতৰি প্রেৰকে ফলপ্রসূ জন সম্পর্ক স্থাপনৰ বাবে এক

সুনির্দিষ্ট বাতৰি জনাব খুজিছে। বাতৰিবোৰে গ্রাহকৰ মনত উৎপাদিত দ্রব্যবোৰৰ ফলপ্রসূ প্রভাৱ পেলোৱাটো অতি প্রয়োজনীয় । সংযোগী কার্যবোৰে লক্ষ্য কৰি লোৱা জনসমষ্টিৰ ওপৰত ইমানেই শক্তিশালী প্রভাৱ পেলাব পাৰিব লাগিব যাতে জনসমষ্টিটো অনুষ্ঠানটোৰ প্রতি সদায় অনুৰাগী হৈ থাকে। জন সম্পর্ক বিষয়টোত গ্রাহকসকলে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। বৃত্তিজীৱী জন সম্পর্কৰক্ষী সকলে গ্রাহকক তথ্যবোৰ শুদ্ধকৈ বুজাত সহায় কৰে। প্রয়োজনীয় জ্ঞান লাভ কৰে আৰু তথ্য পুনৰীক্ষণ কৰিবলৈ সক্ষম হয়। সচাঁকৈয়ে অনুষ্ঠান এটাৰ বাবে তেওঁলোকে লক্ষ্য কৰি লোৱা ৰাইজৰ দৃষ্টিভংগী বুজি পোৱাটো অতিশয় জৰুৰী। যদিহে গ্রাহকসকলে বার্তাবোৰ ভালকৈ বুজি নাপায়, তেন্তে জন সম্পর্কৰক্ষী কার্য -কলাপবোৰ কাৰো চকুতেই নপৰিব।

জন সম্পর্কৰ ভূমিকাঃ

বিভিন্ন জন সম্পর্কৰক্ষী কার্য-কলাপ সুনিশ্চিত কৰাত হোৱা অসুবিধাৰ প্রতি লক্ষ্য ৰাখি পাব্লিক ৰিলেচনছ চ্ছাইটী অব আমেৰিকা (The Public Relations Society of America (PRSA)-ই জন সম্পর্কৰ সৈতে প্রধানকৈ জড়িত হৈ থকা কিছুমান কার্য বিচাৰি উলিয়াইছে। সেই কার্যবোৰ হ'লঃ

১। প্রচাৰ
২। সংযোগ স্থাপন
৩। ৰাজহুৱা পৰিক্রমা
৪। পৰিচালকমণ্ডলীৰ সমস্যা
৫। চৰকাৰৰ সৈতে সম্পর্ক স্থাপন
৬। অর্থনৈতিক জনসম্পর্ক
৭। সম্প্রদায়ৰ সৈতে সম্পর্ক স্থাপন
৮। ঔদ্যোগিক সম্পর্ক
৯। সংখ্যালঘূ সম্প্রদায়ৰ সৈতে সম্পর্ক
১০। বিজ্ঞাপন
১১। প্রেছ এজেন্সি
১২। পৃষ্ঠপোষকতা
১৩। সংবাদ মাধ্যমৰ সৈতে সম্পর্ক স্থাপন

ওপৰত উল্লেখ কৰা কার্য আৰু সংজ্ঞাবোৰৰ বিষয়ে আপোনালোকে প্রথম অধ্যায়ত । আমি এতিয়া জনসম্পর্কই পঢ়িছে চলাই থকা মৌলিক কার্যবোৰৰ বিষয়ে আলোচনা কৰিম।

১। জন সম্পর্কই সত্য তথ্য, ইয়াৰ নিখুঁত ৰূপ আৰু বাস্তৱিকতাৰ সৈতে এনে তথ্যৰ সম্পর্ক কিমান তাৰ ওপৰত দৃষ্টি ৰাখে।

জন সম্পর্ক ৰক্ষীসকলে কৌশলগত পৰিকল্পিত আঁচনিবোৰ বিকশিত কৰে ।· যাতে ই ৰাইজৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব দিব পাৰে আৰু যিকোনো ভাল তথা নিখুঁত জনসম্পর্কৰক্ষী

নীতিৰ প্রাথমিক ভেঁটিটো গঢ়ি তোলাত সহায় কৰিব পাৰে।

২। জন সম্পর্ক বিষয়টো কোনো ব্যক্তিগত সেৱাৰ বাবে গঢ়ি উঠা নাই। ইয়াৰ প্রধান লক্ষ্য হৈছে ৰাজহুৱা স্বার্থ; ই কোনো ব্যক্তিগত পুৰস্কাৰ লাভৰ বাবে কাম নকৰে।

৩। আগতেই উল্লেখ কৰা হৈছে যে জনসম্পর্কই ৰাজহুৱা স্বার্থক কেন্দ্র কৰিহে কাম-কাজ কৰে। যিকোনো জনসম্পর্কৰক্ষীয়ে কোনো আঁচনি আৰু নীতিবোৰৰ প্রতি ৰাইজৰ সমর্থন বিচাৰি ৰাইজৰ সৈতে সম্পর্ক স্থাপনত সক্ষম হোৱা উচিত। জন সম্পর্কৰক্ষীসকলে গ্রাহকক বিপথে পৰিচালিত কৰিব পৰা আঁচনি প্রত্যাখ্যান কৰাৰ বাবেও সক্ষম হ'ব লাগে।

৪। বৃত্তিজীৱী জন সম্পর্কৰক্ষীসকলে সংবাদ মাধ্যম অনুষ্ঠান আৰু সংবাদ মাধ্যমৰ সৈতে জড়িত হোৱা ব্যক্তিসকলৰ সহায়ত স্বচ্ছতাৰে ৰাইজৰ ওচৰ চাপে। জনসম্পর্ক ৰক্ষীসকলে সম্পূর্ণভাবে পোনপটীয়াকৈ ৰাইজৰ সৈতে জড়িত হৈ থাকিব নালাগে।

৫। জন সম্পর্কৰক্ষীসকল হৈছে কোনো অনুষ্ঠান/ সংস্থা আৰু তাৰ সৈতে জড়িত সংশ্লিষ্ট জনতাৰ মাজৰ মধ্যস্থতাকাৰী । সেয়েহে, তেওঁলোকে যাতে ফলপ্রসূভাৱে সংযোগ স্থাপনকাৰী বার্তাবোৰে ৰাইজৰ মাজত বোধগম্যতা আৰু সচেতনতাৰ সৃষ্টি কৰিব নোৱাৰালৈকে প্রচাৰ কৰি থাকিব লাগি।

৬। জন সম্পর্ক এটা অনুমান ভিত্তিক ব্যৱস্থা নহয়। ই অনুমান আৰু ধাৰণাৰ ওপৰত ভিত্তি কৰি কাম-কাজ নকৰে। ই এক দ্বিমুখী সংযোগ ব্যৱস্থা। এই সংযোগ হ'ব লাগিব দায়িত্বশীল সংযোগ। জন সম্পর্কই বিজ্ঞানসন্মত ৰাজহুৱা মতামত বিচাৰে। তাৰ বাবে ই যথেষ্ট পৰিমাণে গৱেষণা কৰে । ৰাইজৰ মনোভাৱ ভালকৈ জানিবলৈ জন সম্পর্কই সমাজ বিজ্ঞানৰ কিছুমান শাখা, যেনে- সামাজিক মনোবিজ্ঞান, সমাজতত্বৰ সহায় ল'ব লাগিব।

৭। জন সম্পর্কৰক্ষীসকলে তেওঁলোকৰ লক্ষ্য ৰাইজক সমস্যাবোৰৰ ব্যখ্যা আগবঢ়াবলৈ দায় ৰদ্ধ হ'ব লাগিব যাতে, এই সমস্যাবোৰে সংকট সৃষ্টি কৰিব নোৱাৰে। তেওঁলোকে ৰাইজক নিয়মিত বাতৰি আৰু পৰামর্শ আগবঢ়াই থকা উচিত। নহ'লে কোনো তথ্যই ৰাইজক আচৰিত কৰি তুলিব পাৰে।

৮। বার্তাবোৰৰ ফলপ্রসূতা নাইবা ৰাইজৰ ওপৰত পৰা প্রভাৱ আৰু ৰাইজৰ সলনি হোৱা দৃষ্টিভংগীবোৰৰ সহায়ত জন সম্পর্কৰক্ষী বিভাগে প্রস্তুত কৰা আঁচনিবোৰৰ মূল্যায়ন কৰা হয় । জন সম্পর্কৰক্ষীক মাত্র এটা মানদণ্ডেৰেই জোখা হয় আৰু সেয়া হৈছে নীতি অনুযায়ী কৰা কার্যকলাপ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জন সম্পর্কৰ দুটা মৌলিক কার্য বর্ণনা কৰক।

.....

.....

.....

প্রশ্ন নং ২ ঃ জন সম্পর্কৰ কিছুমান কার্যৰ তালিকা এখন প্রস্তুত কৰক।

.....

.....

.....

৩.৪ উদ্দেশ্যধর্মী প্রচাৰ

জনসম্পর্ক হ'ল নিয়োগকাৰীৰ হকে এক প্রত্যয় জন্মাব পৰা এটা সংযোগ। জন সম্পর্ক হ'ল কোনো ব্যক্তি, উৎপাদিত দ্রব্য নাইবা ধাৰণা ইতিবাচকভাৱে প্রচাৰ কৰা এক উপায়। এই লক্ষ্য পূৰণ কৰিবলৈ জন সম্পর্কই নানা ধৰণৰ কলা-কৌশল ব্যৱহাৰ কৰে। এইবোৰৰ জৰিয়তেই জন সম্পর্কই লক্ষ্য জনসমষ্টিৰ ওচৰ চাপে আৰু তেওঁলোকক প্রভাৱিত কৰে। এই ধৰণৰ বিশ্বাস জন্মোৱা পদ্ধতিক তথ্য যোগান ধৰা, যুক্তি দর্শোৱা আৰু প্রভাৱ পেলোৱা এক মুখী প্রচাৰৰ উর্দ্ধত বুলি বিবেচনা কৰা হয়।

প্রত্যয় মূলক প্রচাৰেৰে আক্রমনাত্মক মতামত অথবা গোপন মতামতবোৰক সলাই পেলোৱা অথবা সমতা স্থাপন কৰাৰ চেষ্টা চলোৱা হয়। প্রত্যয়মূলক প্রচাৰৰ বাবে অতি কঠিন বিষয়টো হৈছে নেতিবাচক মতামতবোৰ নিজৰ সপক্ষে সলনি কৰা। এই ক্ষেত্রত উদ্দেশ্যধর্মী সন্মুখত থকা প্রত্যাহ্বানটোহ'ল- "মোক কোনো যুক্তিৰেই বিভ্রান্ত নকৰিবা, মোৰ মন ইতিমধ্যেই স্থিৰ কৰি থোৱা হৈছে বোলা মনোভাৱটোসলনি কৰা।"

যিয়ে বার্তা প্রদান কৰে, উদ্দেশ্যধর্মী প্রচাৰে প্রধানকৈ তেওঁৰ স্বার্থৰ খাতিৰতহে সেৱা আগবঢ়ায়। ই হৈছে প্রত্যয়মূলক প্রচাৰৰ এক ফলপ্রসূ আহিলা। ইয়াৰ সহায়ত ৰাইজৰ মতামত আৰু বিশ্বাস আচ্ছাদিত কৰি এক উদ্দেশ্য প্রণোদিত বার্তা বাতৰি প্রচাৰ কৰা হয়। কোনবোৰ বার্ত্র ৰাইজৰ মাজত প্রচাৰ কৰা হ'ব তাক বিভিন্ন ধৰণে বাছি উলিওৱা হয়। বার্তাৰ গুণাগুণ আৰু বার্তাটো যি ধৰণে ব্যৱহাৰ কৰা হয়, তাৰেই এটা বার্তাৰ উদ্দেশ্যধর্মী প্রচাৰৰ কামত প্রয়োগ কৰা হয়। ৰাইজৰ আচৰণ, বিশ্বাস, কার্যকলাপ, কোনটো শুদ্ধ, কোনটো ভুল, কোনটো সঁছা, কোনটো মিচা জাতীয় মনোভাৱক প্রভাৱিত কৰিব পৰা যি কোনো ধৰণৰ সংযোগ ব্যৱস্থাক উদ্দেশ্যধর্মী প্রচাৰ (Propaganda) বুলি অভিহিত কৰিব পাৰি।

ৰির্ডাছ ডাইজেষ্ট গ্রেট অভিধানখনে (The Reader's Digest Great Dictionary) উদ্দেশ্যধর্মী প্রচাৰৰ (Propaganda) সংজ্ঞা এনেদৰে দাঙি ধৰিছে ঃ "পক্ষপাতমূলক অথবা বিপথে পৰিচালকাৰী তথ্য, এনে তথ্য ৰাজনৈতিক স্বার্থ অথবা মতাদর্শৰ সপক্ষে ব্যৱহাৰ কৰা হয়।"

উদ্দেশ্যধর্মী প্রচাৰৰ প্রকৃতি ঃ

- ৰাইজক প্রত্যয় নিওৱাবলৈ উদ্দেশ্যধর্মী প্রচাৰ হ'ল প্রণালী ৱদ্ধ আৰু পৰিকল্পিত পদক্ষেপ
- উদ্দেশ্যধর্মী প্রচাৰে বার্তা এটাৰ প্রচাৰৰ ক্ষেত্রত সত্য অথবা অসত্য বিষয় বস্তুৰ ওপৰত গুৰুত্ব প্রদান নকৰে।

- যি কোনো উদ্দেশ্যধর্মী প্রচাৰে বার্তাটো এক পক্ষীয় হোৱাত গুৰুত্ব দিয়ে।
- উদ্দেশ্যধর্মী প্রচাৰে আনৰ দুর্বলতাক প্রদর্শন কৰে।
- ৰাজনৈতিক বক্তৃতাবোৰ হ'ল আটাইতকৈ বহুলভাবে ব্যৱহৃত উদ্দেশ্যধর্মী প্রচাৰৰ এক উত্তম উদাহৰণ।

উদাহৰণঃ বহুত ৰাজনীতিবিদে নির্বাচনত জয়যুক্ত হ'বলৈ নিজৰ ভাৱমূর্তি উজ্জ্বল কৰিবলৈ বিৰোধী পক্ষৰ দোষ-ত্রুটিবোৰক প্রত্যক্ষ অথবা পৰোক্ষভাৱে প্রচাৰ কৰি থাকে।

ৰাইজৰ ওচৰ চাপিবলৈ উদ্দেশ্যধর্মী প্রচাৰকে বিভিন্ন মাধ্যম, যেনে- ৰেডিঅ' , টেলিভিছন, বাতৰি কাকত, আলোচনী আদি ব্যৱহাৰ কৰে। এনে ধৰণৰ বার্তাৰ শ্রোতা, দর্শক পটুৱৈয়ে লগে লগে বিৰোধিতা কৰিব নোৱাৰে। তেওঁলোকে মত প্রচাৰকজনক কেৱল মঞ্জুৰ অথবা নামাঞ্জুৰহে কৰিব পাৰে। যদি এজন ব্যক্তিয়ে উদ্দেশ্যধর্মী প্রচাৰ কৰিছে, তেন্তে কোনো এজন ব্যক্তিয়ে সেই ধাৰণাটোৰ সৈতে সহমত নহয় বুলি নিজৰ মতামত ব্যক্ত কৰিব পাৰে। এই কামটো সৰু-সৰু দলৰ ক্ষেত্রতো কৰিব পৰা যায়। সচাঁ কথা ক'বলৈ গ'লে উদ্দেশ্যধর্মী প্রচাৰক সকল (Propagandists) কোনো যুক্তিসংগত সহাঁৰি অথবা বাক্যলাপৰ প্রতি আগ্রহী নহয়। তেওঁলোকৰ প্রধান উদ্দেশ্য হ'ল যিমান পৰা যায় সিমান সংখ্যক লোকৰ মতামতক নিজৰ সপক্ষে সলনি কৰা।

মানুহক প্রত্যয় নিয়াবলৈ হাজাৰ বছৰ জুৰি উদ্দেশ্যধর্মী প্রচাৰ ব্যৱস্থাটোক (Propaganda) ব্যৱহাৰ কৰি অহা হৈছে। এই প্রচাৰ ব্যৱস্থাটো সপ্তদশ শতিকাৰ আৰম্ভণিতেই ব্যৱহাৰ কৰা হৈছিল। ১৬২২ চনত ৰোমান কেথলিক গীর্জাৰ ভিতৰত থকা কংগ্রেগেচিঅ' দে প্রপাগাণ্ডা ফাইদে মিচনেৰী সংস্থাৰ মাজত উদ্দেশ্যধর্মী প্রচাৰ ব্যৱস্থাটোৰ প্রচলন আছিল। তেওঁলোকৰ কাম-কাজৰ মাজৰ এটা গুৰুত্বপূর্ণ আছিল-বিশ্বাসীসকলক একত্রিত কৰা। ১৬৬২ চনত ভেটিকানে ৰোমত উদ্দেশ্যধর্মী প্রচাৰৰ শিক্ষা দিয়াৰ বাবে মহাবিদ্যালয় স্থাপন কৰে। খ্রীষ্ট ধর্মৰ প্রচাৰ যাতে বিণেম দিয়া হৈছিল। পাছলৈ এই ব্যৱস্থাটো সকলো ধর্ম প্রচাৰৰ ক্ষেত্রতে প্রযোজ্য হৈ পৰে। সেইদৰেই বিভিন্ন জাতি উপজাতিক সংগঠিত কৰি, এখন শক্তিশালী কেন্দ্রীয় চৰকাৰ গঠন কৰা বাবেও উদ্দেশ্যধর্মী প্রচাৰ ব্যৱস্থাটো ব্যৱহাৰ কৰা হৈছিল।

"উদ্দেশ্যধর্মী -প্রচাৰ" অভিধাটোৱে ৰাইজৰ ওপৰত নেতিবাচক প্রভাৱ পেলায়। কাৰণ ইয়াৰ সৈতে পক্ষপাতিত্ব প্রৱঞ্চনাৰ মনোভাৱ আৰু ভুল বার্তা জড়িত হৈ থাকে। ১৯১৯ চনত এড্লফ্ হিটলাৰে "নেচনেলিষ্ট চছিয়েলিষ্ট জার্মান ৰর্কাছ পার্টি গঠন কৰে। তেওঁৰ আত্মজীৱনীত (ৰাজনৈতিক নাৰী পার্টি ইস্তাহাৰ) - 'এখন সাম্রাজ্য, এদল জনতা, এজন নেতা'ৰ কথা কোৱা হৈছিল। তেও এই ধাৰণাটো কার্যক্ষেত্রত কৰাৰ ফলত লাখ লাখ মানুহে মৃত্যু সাৱটি ল'ব লগীয়া হৈছিল। হিটলাৰৰ উদ্দেশ্যধর্মী প্রচাৰ মন্ত্রী জোচেফ গোৱেবল্চে প্রচাৰৰ সংজ্ঞা দিছিল এনেদৰে- "ই হৈছে ৰাজনীতিৰ এক আহিলা, জনতাক নিয়ন্ত্রণ কৰা এক শক্তি।" গোৱেবলছে বিশ্বাস কৰিছিল যে "তুমি পাৰিবা " সূত্রটোৰ ভেটি হৈছে- "যদি তুমি উপযুক্ত ধৰণে কথা কোৱা, মানুহে যি কোনো ধৰণৰ কথাকে বিশ্বাস কৰিব।" তেওঁ হিটলাৰৰ যিটো নীতি মানি চলিছিল সেইটো হ'ল- "মিছা কথা এটা যিমানেই ডাঙৰ হ'ব। সিমানেই অধিক মানুহে তাক বিশ্বাস কৰিব।" তেওঁ সত্য আৰু

বাস্তৱতকৈ মিথ্যা আৰু চলনাত অধিক গুৰুত্ব দিছিল।

৩.৫ প্ৰচাৰ

প্ৰচাৰ কার্যক জন সম্পর্কৰ আনটো নাম বুলিও ক'ব পৰা যায়। পিছে ইয়াৰ দুটা কার্য আৰু দৃষ্টিভংগী জন সম্পর্কৰ সৈতে একে নহয়। প্ৰচাৰ হৈছে জনসম্পর্কই ব্যৱহাৰ কৰা এবিধ আহিলা। যিকোনো বৃত্তিজীৱী জন সম্পর্কৰক্ষীয়ে জন সম্পর্ক বিষয়ক আঁচনি প্ৰয়োগ কৰাৰ সময়ত এজন প্ৰচাৰক অথবা এটা প্ৰচাৰ ব্যৱস্থাৰ সহায় লয় যাতে ই অধিক সংখ্যক লোকৰ মাজত বিয়পি পৰে। বাস্তৱিকতে জন সম্পর্কৰ অর্থ হ'ল বার্তা একোটা যি কোনো মাধ্যম, যেনে- বাতৰি কাকত, টেলিভিছন অথবা ইণ্টাৰনেট যোগে প্ৰচাৰ কৰা। অথবা ইয়াক কোনো বিশেষ মাধ্যম, যেনে- কর্প'ৰেট অথবা ব্যৱসায়িক সংস্থাৰ প্ৰতিবেদন, বার্তা পত্ৰিকা নাইবা পুস্তিকাত প্ৰকাশ কৰা। প্ৰচাৰ হৈছে এক গুৰুত্ব পূর্ণ কার্য- ইয়াৰ সহায়ত কোনো এক অনুষ্ঠানৰ বার্তা আকর্ষণীয় ভাবে অথবা ইয়াৰ দ্বাৰা উৎপাদিত সামগ্ৰী, সেৱা অথবা সুনাম উপস্থাপন কৰা হয়। প্ৰচাৰ ব্যৱস্থাটোৱে কোম্পানী নাইবা সংস্থাটোৰ আচৰণ অথবা নীতি নির্দ্ধাৰণ অথবা জন সম্পর্কৰক্ষী আঁচনিবোৰক প্ৰভাৱিত নকৰে। যিয়েই নহওক, এটা কথা মন কৰিব লাগিব যে বিজ্ঞাপন আৰু প্ৰচাৰৰ মাজত এটা পার্থক্য আছে।

বিজ্ঞাপন হৈছে ধন খৰছ কৰি সংযোগ স্থাপন কৰা ব্যৱস্থা। যি কোনো সংস্থাই নিজৰ সুনাম, ভাৱমূর্তি আৰু সেৱা উন্নত কৰিবৰ কাৰণে এখন মঞ্চ বিচাৰে। গতিকে এনে ধৰণৰ উন্নতিৰ বাবে সংস্থাটোৱে যিকোনো প্ৰচাৰ মাধ্যমত এটুকুৰা স্থান কিনি লয়। পিছে প্ৰচাৰ ব্যৱস্থাটো হৈছে ধন খৰছ কৰিব নলগীয়া সংযোগ ব্যৱস্থা। এনে ব্যৱস্থাত অনুষ্ঠান অথবা সংস্থাটোৰ দ্বাৰা উৎপাদিত দ্রব্য অথবা সেৱা, ইয়াৰ কাম-কাজৰ বিষয়ে লিখা কিছুমান চমু বাতৰি নাইবা লেখনী। বাতৰি কাকত নাইবা আলোচনীৰ সম্পাদকীয় পৃষ্ঠা, যিকোনো ৱেব-চাইট নাইবা ব্লগ টেলিভিছন অথবা ৰেডিঅ'ত অব্যৱসায়িক ভিত্তিত প্ৰচাৰ চলোৱা হয়। এইবোৰ বার্তা, মাধ্যমবোৰে নিজা ৰবীয়াকৈ নতুবা সংস্থাটোৰ মুখপাত্ৰজনে বিশেষভাবে কৰা অনুৰোধ ক্রমে প্ৰচাৰিত কৰে। ই হৈছে উৎপাদিত দ্রব্য নতুবা সংস্থাটোৰ বিষয়ে দিয়া বার্তা; নতুবা উৎপাদিত দ্রব্যৰ ভিত্তিত অথবা অনুষ্ঠানৰ বিষয়ে দিয়া বিৱৰণমূলক বার্ত্ত । এই ধৰণৰ বার্তাবোৰ আকর্ষণীয়, অর্থবহ হোৱাটো জৰুৰী আৰু পঢ়ুৱৈ নাইবা দর্শকৰ চকুত পৰাকৈ উপস্থাপন কৰা উচিত।

কোনো এক অনুষ্ঠানৰ বাবে বিজ্ঞাপনৰ দৰেই সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত প্ৰচাৰ ব্যৱস্থাটোও অতি প্ৰয়োজনীয়। বিজ্ঞাপনৰ তুলনাত প্ৰচাৰ ব্যৱস্থাটো হৈছে এক কৌশলী আহিলা। ই বিজ্ঞাপনতকৈ অধিক বিশ্বাসযোগ্য। কাৰণ, প্ৰচাৰ মাধ্যমবোৰক বাতৰিৰ উৎস বুলিহে বিবেচনা কৰা হয়। সেয়েহে এনে মাধ্যমেৰে প্ৰচাৰিত বাতৰিবোৰ হৈ পৰে অধিক গ্ৰহণযোগ্য। ইয়াৰ ফলত যথেষ্ট ধনৰ খৰছো ৰাহি হয়। প্ৰচাৰ ব্যৱস্থাটো উপযুক্তভাৱে পৰিচালনা কৰিলে ইয়াৰ পৰা অভাৱনীয়ভাবে উপকৃত হ'ব পাৰি। সেইদৰে ইয়াক বেয়াকৈ পৰিচালনা কৰিলে, ই যথেষ্ট ক্ষতি

সাধন কৰিব পাৰে। তদুপৰি প্ৰচাৰ যথেষ্ট তথ্য সমৃদ্ধ আৰু সত্য হোৱা উচিত। প্ৰচাৰ ব্যৱস্থাটো সফল হ'বলৈ হ'লে প্ৰচাৰ মাধ্যমৰ বিষয়ে ভাল জ্ঞান থাকিব লাগিব। ইয়াৰ লগতে সম্পাদকীয় আৰু নীতি , শ্ৰোতা-দৰ্শক আৰু কৰ্ম পদ্ধতিৰ বিষয়েও উচিত জ্ঞান থকাটো জৰুৰী প্ৰচাৰ ব্যৱস্থাত প্ৰয়োজন হয় পৰিকল্পনা, ফলপ্ৰসূ লেখনী আৰু প্ৰচাৰ মাধ্যমৰ সৈতে সুসম্পৰ্ক । তেতিয়াহে প্ৰচাৰিত হোৱা বাৰ্তাটোৱে ইতিবাচক সহাঁৰি পাব।

জন সম্পৰ্কৰ বহুতো কাৰ্য প্ৰচাৰৰ সৈতে জড়িত হৈ থাকে। প্ৰচাৰৰ কাৰণে প্ৰয়োজনীয় উপাদানবোৰ হৈছে লিখিত বাৰ্তা, ছবি, প্ৰৱন্ধ আৰু অন্য সহায়ক তথ্য। প্ৰচাৰৰ বাবে বাৰ্তা বোৰ প্ৰস্তুত কৰোতে ই কেনে ধৰণৰ মাধ্যমৰ যোগেদি, যেনে- বাতৰি কাকত, বিশেষ আলোচনী, ৰেডিঅ, টেলিভিছন, অথবা অন্ লাইনত প্ৰচাৰিত হ'ব নেকি- এই কথাবোৰৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া উচিত। অপ্ৰণালীৱদ্ধ ভাবে বাৰ্তা প্ৰচাৰ কৰিলে সময় আৰু ধনৰ অপব্যয়হে হয় আৰু এনে প্ৰচাৰে ৰাইজক আকৰ্ষণ নকৰে।

প্ৰচাৰ সম্পৰ্কীয় বাৰ্তাবোৰ প্ৰধানকৈ দুই ধৰণে জনতাৰ মাজত বিয়পা ই দিব পৰা যায়। ছপা মাধ্যমবোৰক এখন সংবাদ মেললৈ আমন্ত্ৰণ জনাব পাৰি। তেনে সংবাদ মেলবোৰক অনুষ্ঠানটোৰ পৰিচালকমণ্ডলী আৰু বৃত্তিজীৱী জন সম্পৰ্কৰক্ষীসকলে সম্বোধন কৰি প্ৰয়োজনীয় ঘোষণাবোৰ কৰিব পাৰে। নতুবা এনে সংবাদ মেলতে তেওঁলোকে নিজৰ উৎপাদিত সামগ্ৰী অথবা সেৱাৰ বিষয়ে উপযোগী বাতৰি ৰাইজৰ বাবে মুকলি কৰি দিব পাৰে। সংবাদ মেলবোৰে সংবাদ মাধ্যম আৰু পৰিচালক মণ্ডলীক মুখা-মুখি হোৱাৰ সুবিধা দিয়ে। এনে মেলত তেওঁলোকেবাক্য বিনিময়ো কৰিব পাৰে। তাৰ ফলত প্ৰচাৰিত তথ্যৰ বিশ্বাসযোগ্যতা অধিক বাঢ়ি যায়। সংবাদ মেলবোৰৰ সংবাদ-ফাইল প্ৰস্তুত কৰি থ'ব লাগে। সেই ফাইলত চমু টোকা, পুস্তিকা, ফটো অথবা যিকোনো মূল্যবান বাৰ্তা থকা উচিত। এই তথ্যবোৰ সংবাদ মেলত উপস্থিত থকা বিভিন্ন ধৰণৰ সংবাদ মাধ্যমক দিব লাগে।

দ্বিতীয় উপায়টো হৈছে সংবাদ মাধ্যমৰ কোনো এটা প্ৰতিষ্ঠানৰ সৈতে পোনপটীয়া যোগাযোগ ৰাখি, আৱশ্যকীয় তথ্যবোৰ মেইল যোগে পঠিয়াই থাকিব লাগে যাতে পাঠক আৰু দৰ্শকৰ সৈতে অনবৰতে যোগাযোগ অব্যাহত ৰাখিব পাৰে। বৃত্তিজীৱী জন সম্পৰ্কৰক্ষীসকলে নিজৰ কাম-কাজবোৰ ফলপ্ৰসূ কৰিবৰ বাবে সংবাদ-মাধ্যমৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি চলা উচিত।

৩.৬ জনসম্পৰ্ক, উদ্দেশ্যধৰ্মী প্ৰচাৰ আৰু সাধাৰণ প্ৰচাৰৰ মাজত থকা পাৰ্থক্য

উদ্দেশ্যধৰ্মী প্ৰচাৰ আৰু জন সম্পৰ্ক- দুয়োটাৰে প্ৰধান উদ্দেশ্য হৈছে লক্ষ্য জনসমষ্টিৰ গ্ৰহণযোগ্যতাক প্ৰভাৱিত কৰা আৰু আশা কৰা ধৰণে ফলাফল আৰু সহাঁৰি এই জনসমষ্টিবোৰৰ পৰা আদায় কৰা। জনসম্পৰ্কৰক্ষী আৰু উদ্দেশ্যধৰ্মী প্ৰচাৰক, দুয়ো পক্ষই নিজ নিজ বাৰ্তাবোৰ প্ৰচাৰ কৰিবলৈ সংবাদ মাধ্যমক ব্যৱহাৰ কৰে। তথাপিও উদ্দেশ্যধৰ্মী প্ৰচাৰক সকলে সংঘৱদ্ধভাবে তেওঁলোকৰ ধাৰণ নতুবা উদ্দেশ্য একোটা প্ৰচাৰ কৰিবলৈ চেষ্টা কৰে। ইয়াৰ কোনো নৈতিক

ধাৰণা নিহিত নাথাকিবও পাৰে। ই হৈছে প্রত্যয় নিয়াবলৈ চলোৱা প্রচাৰ। উদ্দেশ্যধর্মী প্রচাৰকসকলে নিজ লক্ষ্য পূৰণ কৰিবলৈ চাতুৰী, প্রলোভন আদিৰ সহায় লয়। আনহাতে, জন সম্পর্কৰক্ষীসকলে ৰাইজৰ মাজত মুকলিমূৰীয়াকৈ মত বিনিময় কৰে। এয়াই হৈছে উদ্দেশ্যধর্মী প্রচাৰ আৰু জন সম্পর্কৰ মাজত থকা পার্থক্য। তদুপৰি জন সম্পর্কই প্রচাৰ কৰা বার্তাবোৰে পৰিচালকমণ্ডলী আৰু ৰাইজৰ মাজত সুনাম আৰু বিশ্বাস গঢ়ি তুলিবলৈ চেষ্টা কৰে। জনসম্পর্কই সদায় সত্য আৰু যুক্তিপূর্ণবার্তাৰেহে জনতাক আকর্ষণ কৰিবলৈ চেষ্টা কৰে। জন সম্পর্ক সদায় সম্পূর্ণ সত্য বাতৰিৰ ওপৰত প্রতিষ্ঠিত ; ই অর্দ্ধ সত্য আৰু মিথ্যাৰ ভিত্তিত গঢ়ি নুঠে। জন সম্পর্ক হৈছে এক দীর্ঘ দিনীয়া তথা যত্ন সহকাৰে চলোৱা প্রচেষ্টা আৰু ই জন স্বার্থৰ হকে কাম কৰে। উদ্দেশ্যধর্মী প্রচাৰ হৈছে এক মুখী সংযোগ-ইয়াত লক্ষ্য জনসমষ্টিয়ে অসন্মতি জনাবলৈ নতুবা জনতাই সহাঁৰি দিবলৈ সুযোগ নাপায়। উদ্দেশ্যধর্মী প্রচাৰে প্রয়োজন অনুসৰি মিথ্যা নাইবা বিকৃত সত্যক নিজ লক্ষ্য পূৰণ কৰিবলৈ জনতাৰ মাজত বার্তা প্রচাৰ কৰে। উদ্দেশ্যধর্মী প্রচাৰ ক্ষণস্থায়ী।

সাধাৰণ প্রচাৰবোৰ (Publicity) ক কিন্তু জন সম্পর্কৰ সৈতে একে বুলি ধৰি ল'ব নালাগে। প্রচাৰ হৈছে জন সম্পর্ক বর্তাই ৰখাৰ এক আহিলা । ই জন সম্পর্ক ৰক্ষাত সহায়ক হিচাপে কাম কৰে। গতিকে শিক্ষার্থীসকলে নিশ্চয় বুজি উঠিছে যে জন সম্পর্ক হৈছে এক পৰিকল্পিত, সাৱধানী আৰু দীর্ঘদিনীয়া প্রচেষ্টা । ইয়াৰ সহায়ত পৰিচালকমণ্ডলী আৰু জনতাৰ মাজত পাৰস্পৰিক বিশ্বাস তথা সুনাম গঢ়ি তোলা হয়। এই উদ্দেশ্য পূৰণ কৰিবলৈ প্রচাৰ আহিলা ব্যৱহাৰ কৰা হয়। জন সম্পর্কই সংবাদ মাধ্যমত পৰিচালক মণ্ডলী অথবা কোনো ব্যক্তিগত উপস্থিতিক লৈ সচেতন হৈ থাকে। প্রচাৰ বার্তবোৰ প্রস্তুত কৰোতে কোনো বাতৰি, প্রবন্ধ আৰু ঘটনা সম্বলিত তথ্যৰ সহায় লোৱা হয়। প্রচাৰবোৰে কোনো বিশেষ ব্রেণ্ডৰ সামগ্রী অথবা সেৱাৰ বিষয়ে ৰাইজৰ মাজত সচেতনতাৰ সৃষ্টি কৰে আৰু প্রচাৰকসকলে তেওঁলোকক নিয়োজিত কৰা অনুষ্ঠানটোৰ দ্বাৰা উৎপাদিত দ্রব্য আৰু সেৱাৰ বিষয়ে ৰাইজক অৱগত কৰে।

জনসম্পর্কৰ বিপৰীতে প্রচাৰক সকলে ৰাইজৰ মনোযোগ আকর্ষণতহে অধিক গুৰুত্ব আৰোপ কৰে। প্রচাৰ আৰু জনসম্পর্কৰ মাজত থকা পার্থক্যটো হ'ল জনসম্পর্কই ৰাইজৰ মনোযোগ বৃদ্ধিত গুৰুত্ব দিয়ে। জনসম্পর্কৰ উদ্দেশ্য হ'ল কোনো এটা অনুষ্ঠান নাইবা সংস্থাৰ লক্ষ্য পূৰণ কৰিবলৈ নীতি ৰদ্ধতাৰে উপযুক্ত দর্শক, শ্রোতাৰ মাজত প্রচাৰ কৰে যাতে তেওঁলোকৰ জ্ঞান,আচৰণ আৰু দৃষ্টিভংগী অথবা মনোভাৱৰ ওপৰত প্রভাৱ পেলাব পাৰে। চমুকৈ কবলৈ হ'লে জনসম্পর্কই তেওঁলোকৰ নিয়োগকর্তাৰ সুনাম ৰক্ষা কৰাৰ লগতে প্রভাৱিত ৰাইজৰ মাজত এক সুসম্পর্ক গঢ়ি তোলে। পৰিচালকমণ্ডলীৰ কার্যকলাপৰ সৈতে জড়িত থকা জনসম্পর্কই সুসম্পর্ক আৰু ইতিবাচক ভাৱমূর্তি গঢ়ি তোলাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰে। জনসম্পর্কত প্রচাৰ কার্যই নিয়োগকর্ত্রক সংবাদ মাধ্যমৰ জৰিয়তে তাৎক্ষণিকভাৱে নিজৰ লক্ষ্য পূৰণত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ জন সম্পর্ক আৰু উদ্দেশ্যধর্মী প্রচাৰৰ মাজৰ পার্থক্যবোৰৰ বিষয়ে লিখক।

.....

.....

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জন সম্পর্কৰ দুটা প্রধান কার্য হ'ল- (১) পৰিচালক মণ্ডলীৰ কার্য (২) সংযোগী ব্যৱস্থাৰ কার্য
- জন সম্পর্ক হৈছে পৰিচালক মণ্ডলীৰ এনে এক কার্য, যিটোৱে কোনো অনুষ্ঠানৰ বিকাশ আৰু ইয়াৰ সৈতে জড়িত থকা মূল অংশীদাৰসকলৰ মাজত সুসম্পর্ক বজাই ৰাখিবলৈ ফলপ্রসূ ভাবে সংযোগ অব্যাহত ৰাখে। কোনো অনুষ্ঠান আৰু ৰাইজৰ মাজত সন্তোষজনক, দীর্ঘ-দিনীয়া, বিশ্বাসযোগ্য সম্পর্ক বর্তাই ৰখাত সংযোগ ব্যৱস্থাটো হ'ল এক মূল ।
- জনসম্পর্কৰ কার্যবোৰত পৰিচালনা মণ্ডলীৰ কার্য আৰু সংযোগ ব্যৱস্থাৰ কার্যবোৰ মিশ্রিত হৈ থাকে। যি কোনো অনুষ্ঠানৰেই শীর্ষ বিষয়াৰ পৰা সাধাৰণ জনতা, যেনে- কর্মচাৰী, অংশীদাৰসকল, ইউনিয়ন (একতা সভা) আৰু ইয়াৰ উৎপাদিত দ্রব্য কিনোতা অথবা সেৱা গ্রহণ কৰোতা-সকলৰ মাজত দীর্ঘদিনীয়া সফল সম্পর্ক বজাই ৰাখিবৰ কাৰণে সংযোগ ফলপ্রসূ ব্যৱস্থাৰ প্রয়োজন হয়। অনুষ্ঠানটোত ৰাইজৰ মনোভাৱ আৰু আলোচনা-বিলোচনাবোৰ জানিবৰ কাৰণে সুযোগ থকাৰ প্রয়োজন আছে। লক্ষ্য জনসমষ্টিটোৱে যাতে অনুষ্ঠানটোক প্রতি সদায় সদয় অথবা অনুৰাগী হৈ থাকে তাৰ কাৰণে সংযোগী ব্যৱস্থাটোৱে শক্তিশালী প্রভাৱ বিস্তাৰ কৰিব লাগে।
- এই দুটা প্রধান কার্যৰ উপৰি জন সম্পর্কৰ আঠটা মূল কার্য আছে। তাৰ লগতে জনসম্পর্ক জড়িত হৈ থকা আন তেৰটা তালিকাভুক্ত কার্যও।
- জন সম্পর্ক অনুপ্রাণিত কৰিব পৰা ধৰণৰ সংযোগ ব্যৱস্থা হোৱা বাবে ই নিয়োগকর্তাৰ হকে কাম কৰে। অনুপ্রেৰণা মূলক সংযোগী ব্যৱস্থাটোৱে প্রতিবাদী মতামতবোৰ সলনি কৰে নাইবা এইবোৰৰ মাজত সমতা বজাই ৰাখিব পাৰে। এই ব্যৱস্থাই গোপন মতামতবোৰক পোহৰলৈ উলিয়াই আনে আৰু ৰাইজৰ মাজত ইতিবাচক মনোভাৱ গঢ়ি তোলাৰ লগতে সপক্ষে থকা মতামতবোৰক সংৰক্ষণ কৰে।
- উদ্দেশ্যধর্মী প্রচাৰ (Propaganda) ব্যৱস্থাটোৱে প্রধানতঃ বার্তা উপস্থাপন কৰোতাজনৰ স্বার্থৰ হকে কাম কৰে। ই হৈছে সংযোগৰ এক ফলপ্রসূ আহিলা। ইয়াৰ সহায়ত ৰাইজৰ

মতামত আৰু বিশ্বাসক প্রভাৱিত কৰিবলৈ মন ভুলোৱা বার্তা প্রচাৰ কৰা হয়। এইবোৰ হৈছে এক পক্ষীয় বার্তা আৰু একমুখী সংযোগৰ উদাহৰণ।

- প্রচাৰৰ অর্থ হৈছে যিকোনো প্রচাৰ মাধ্যম, যেনে- বাতৰি-কাকত, টেলিভিছ্ন অথবা ইণ্টাৰনেটৰ যোগেদি বার্তা প্রচাৰ কৰা। কিছুমান বিশেষ মাধ্যম, যেনে- কোম্পানী আৰু সহযোগী সকলৰ প্রতিবেদন, বার্তা পুস্তিকা নতুবা ইস্তাহাৰৰ যোগেদিও বার্তা প্রচাৰ কৰা হয়। প্রচাৰ হ'ল এক অতি গুৰুত্বপূর্ণ কার্য আৰু ইয়াৰ সহায়ত কোনো এক অনুষ্ঠান নাইবা সংস্থাই ৰাইজৰ মাজত ইয়াৰ দ্বাৰা উৎপাদিত দ্রব্য, সেৱা, সুনামৰ প্রতি আকর্ষিত কৰিব পৰা বার্তাবোৰ বিয়পাই দিয়ে।
- উদ্দেশ্যধর্মী প্রচাৰ (Propaganda) হৈছে এক সংঘৰদ্ধ প্রচেষ্টা, যিটোৰ সহায়ত নৈতিকতা পূর্ণ দৃষ্টিভংগী নথকা বার্তা নাইবা মতামত প্রচাৰ কৰা হয়। ই হ'ল এক স্বার্থজড়িতমূলক ভাৱধাৰাৰ ভিত্তিত প্রতিষ্ঠিত বার্তা। ইয়াৰ উপাদানবোৰে যেনে, ফুচুলনি আৰু চাতুৰীৰে উদ্দেশ্যধর্মী প্রচাৰকৰ আকাংক্ষিত লক্ষ্য পূৰণ কৰা হয়। জন সম্পর্কই প্রচাৰ কৰা মুকলি, ভাব বিনিময় ধর্মী বার্তাবোৰৰ সৈতে উদ্দেশ্যধর্মী প্রচাৰৰ বার্তাবোৰৰ মাজত যথেষ্ট পার্থক্য আছে। জন সম্পর্কই কোনো এক অনুষ্ঠান অথবা সংস্থা আৰু ৰাইজৰ মাজত সুসম্পর্ক আৰু বিশ্বাস গঢ়ি তুলিব পৰা বার্তবোৰহে প্রচাৰ কৰে। ৰাইজক বুজাবলৈ জনসম্পর্কই সত্য আৰু যুক্তিপূর্ণ তথ্য থকা বার্তাবোৰহে প্রচাৰ কৰে। জনসম্পর্ক বার্তাবোৰ সত্যৰ ওপৰত প্রতিষ্ঠিত। ই অর্দ্ধসত্য নতুবা মিথ্যাৰ ওপৰত প্রতিষ্ঠিত নহয়।
- প্রচাৰ কার্যই কোনো এক বিশেষ দ্রব্যৰ প্রতি ৰাইজক সচেতন কৰিবলৈ আৰু মনোযোগ বঢ়াবলৈ বার্তা প্রচাৰ কৰে। তাৰ ফলত উৎপাদনকাৰী নাইবা সেৱা আগবঢ়াওঁতাসকলে লাভ ৰান হয়। জন সম্পর্কৰ বিপৰীতে প্রচাৰ কার্যক মাথোন ৰাইজক আকর্ষণ কৰিবলৈহে ব্যৱহাৰ কৰা যায়। প্রচাৰ কার্য আৰু জনসম্পর্কৰ মাজত থকা পার্থক্যটো হ'ল- জন সম্পর্কই জনতাক আকর্ষণ কৰা কার্যতে কেৱল গুৰুত্ব নিদিয়ে। জনসম্পর্কৰ উদ্দেশ্য হৈছে নীতিৰদ্ধভাবে প্রস্তুত কৰা বার্তাবোৰ উপযুক্ত দর্শক, শ্রোতা, পঢ়ুৱৈৰ মাজত প্রচাৰ কৰি অনুষ্ঠান নতুবা সংস্থাটোৰ নির্দ্ধাৰিত লক্ষ্য পূৰণৰ চেষ্টা কৰা। লগতে এনে বার্তাই জনতাৰ জ্ঞান, আচৰণ আৰু মনোভাৱৰ ওপৰত আশা কৰাৰ দৰে প্রভাৱ বিস্তাৰ কৰে।



৩.৮ অধিক জানিবলৈ

1. Newsom, Doug, Turk V, Judy, Kruckeberg, Dean (2000). This is PR: The Realities of Public Relations. Seventh Edition. Singapore: Wadsworth Thomson Learning.

2. Reddi, C.V.N (2013). Effective Public Relations and Media Strategy. Second Edition. Prentice Hall India Learning Private Limited.
3. Wilcox, Dennis, Cameron, Glen, Reber, Bryan (2015). Public Relations: Strategies and Tactics. Eleventh Edition. Essex: Pearson.



৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জন সম্পর্কৰ দুটা প্রধান কার্য হ'ল- (১) পৰিচালক মণ্ডলীৰ কার্য আৰু (২) সংযোগী ব্যৱস্থাৰ কার্য

২ নং প্রশ্নৰ উত্তৰ ঃ জনসম্পর্কৰ কিছুমান কাম-কাজক দ্য পাব্লিক ৰিলেশ্যনচ্ চোছাইটি অৱ আমেৰিকা (The Public Relations Society of America) ই তলত উল্লেখ কৰা ধৰণে তালিকাভুক্ত কৰিছে-

প্রচাৰ, সংযোগ, ৰাজহুৱা বিষয়, পৰিচালক মণ্ডলীৰ সমস্যা, চৰকাৰৰ সৈতে সম্পর্ক স্থাপন, অর্থনৈতিক জন সম্পর্ক, সম্প্রদায়ৰ সৈতে সম্পর্ক স্থাপন, ঔদ্যোগিক সম্পর্ক, সংখ্যালঘূ সম্প্রদায়ৰ সৈতে সম্পর্ক, বিজ্ঞাপন, প্রেছ এজেন্সি, পৃষ্ঠপোষকতা, সংবাদ মাধ্যমৰ সৈতে সম্পর্ক স্থাপন।

৩ নং প্রশ্নৰ উত্তৰ ঃ প্রচাৰ আৰু জন সম্পর্ক উভয়ৰে প্রধান লক্ষ্য হৈছে ৰাইজৰ অনুভূতিক প্রভাৱিত কৰা আৰু প্রত্যাশিত ফলাফল বিস্তাৰ কৰা তথা লক্ষ্য জনসমষ্টিৰ পৰা সহাঁৰি লাভ কৰা। ই হৈছে এক দীর্ঘম্যাদী প্রচেষ্টা আৰু ইয়াত ৰাইজ সম্পর্কীয় স্বার্থ জড়িত হৈ থাকে। উদ্দেশ্যধর্মী প্রচাৰ (Propaganda) হৈছে এটা একমুখী সংযোগ ব্যৱস্থা। তদুপৰি, উদ্দেশ্যধর্মী প্রচাৰ হৈছে এক ধাৰণা অথবা কাৰণক প্রচাৰ কৰাৰ এটা সংঘৱদ্ধ প্রচেষ্টা আৰু ইয়াৰ সৈতে কোনো নৈতিক বিষয় জড়িত হৈ নাথাকিবও পাৰে। ই হৈছে এক স্বার্থ জড়িত বুজনি অথবা ফুচুলনি। আকাংক্ষিত লক্ষ্য পূৰণ কৰিবলৈ উদ্দেশ্যধর্মী প্রচাৰকসকলে চল-চাতুৰী ব্যৱহাৰ কৰে। জনসম্পর্কই প্রচাৰ কৰা মুকলি, ভাব বিনিময়কাৰী বার্তাবোৰৰ সৈতে উদ্দেশ্যধর্মী প্রচাৰৰ বাতৰিবোৰৰ মাজত যথেষ্ট পার্থক্য আছে। জন সম্পর্কই কোনো এক অনুষ্ঠান নাইবা সংস্থা আৰু ৰাইজৰ মাজত সু -সম্পর্ক তথা বিশ্বাস গঢ়ি তুলিব পৰা বার্তাবোৰহে প্রচাৰ কৰে। ৰাইজ/ জনতাক অনুপ্রাণিত কৰিবলৈ জন সম্পর্কই সত্য তথ্য আৰু যুক্তিপূর্ণ বার্তা বোৰ হে প্রচাৰ কৰে।



১.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

১ নং প্ৰশ্ন ঃ উদ্দেশ্যধৰ্মী প্ৰচাৰৰ সংজ্ঞা দিয়ক। উদ্দেশ্যধৰ্মী প্ৰচাৰৰ উপায় ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ প্ৰচাৰে কি বুজায়? প্ৰচাৰ আৰু জন সম্পৰ্কৰ মাজৰ পাৰ্থক্যবোৰ লিখক।

(ক) চুটি প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১ নং প্ৰশ্ন ঃ মত প্ৰচাৰৰ সংজ্ঞা দিয়ক। মত প্ৰচাৰৰ ধৰনটোক ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ প্ৰচাৰে কি বুজায়? প্ৰচাৰ আৰু জনসম্পৰ্কৰ মাজৰ পাৰ্থক্যবোৰ লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

১ নং প্ৰশ্ন ঃ জন সম্পৰ্কৰ পাঁচটা মূল কার্য ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ 'উদ্দেশ্যধৰ্মী প্ৰচাৰ হৈছে জনতাক প্ৰত্যয় নিওৱাবলৈ ব্যৱহাৰ কৰা এক আহিলা বহলাই ব্যাখ্যা কৰক।

****